প্ৰেছ বিজ্ঞপ্তি
২২ মাৰ্চ, ২০১৭

**“চুপাৰভাইজৰী ক’-অপাৰেশ্যন এণ্ড একচেঞ্জ অব চুপাৰভাইজৰী ইনফৰ্মেশ্যন” সম্পৰ্কে আৰ বি আয়ে বেংক অব থাইলেণ্ডৰ সৈতে বুজাপৰাৰ চুক্তি (এম অ’ ইউ) স্বাক্ষৰ কৰিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে, বেংক অব থাইলেণ্ডৰ সৈতে “তদাৰকী সহযোগিতা আৰু তদাৰকী তথ্যৰ বিনিময়” সম্পৰ্কীয় এক পাৰস্পৰিক বুজাপৰাৰ চুক্তি (এম অ’ ইউ)ত স্বাক্ষৰ কৰিছে।

বেংক অব থাইলেণ্ডৰ হৈ গৱৰ্ণৰ ড০ বীৰা থাই সাপ্তিপ্ৰাভৰে আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ হৈ গৱৰ্ণৰ ড০ উৰজিত্ আৰ. পেটেলে এম অ’ ইউখনত স্বাক্ষৰদান কৰে।

ৰিজাৰ্ভ বেংকে অধিকতৰ সহযোগিতা বৃদ্ধি আৰু তদাৰকী তথ্যৰ আদান-প্ৰদানৰ উদ্দেশ্যে কেবাখনো দেশৰ তদাৰকসকলৰ সৈতে পাৰস্পৰিক বুজাপৰা, তদাৰকী সহযোগিতা পত্ৰ আৰু সহযোগিতা প্ৰবিৱৰণ সম্পাদন কৰিছে। এইখনকে ধৰি আৰ বি আয়ে ৩৮খন এনে এম অ’ ইউ, এখন তদাৰকী সহযোগিতা পত্ৰ আৰু এখন সহযোগিতা প্ৰবিৱৰণ স্বাক্ষৰ কৰিলে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি - ২০১৬-২০১৭/২৫৩১**